# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 15-05-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

**Headlines**

-------------------

১।	মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গোৱালপাৰা জিলাৰ প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন। বৰ্ধিত হাতী মানুহৰ সংঘাত সন্দৰ্ভত সৌৰ বেৰৰ ব্যৱস্থা গ্ৰহণত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ।

২।	মিজোৰামৰ উন্নয়নত কৃষি খণ্ডই বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ প্ৰকাশ।

৩।	অপাৰেচন সিন্দূৰৰ সফলতা উদযাপনৰ উদ্দেশ্যেৰে ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত।

৪।	অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি ৭১ৰ যুদ্ধৰ নায়ক কেপ্তেইন মুহিকান্ত দাসৰ অভিমত। ***আৰু***

৫।	বৰ্ণাঢ্য কাৰ্যসূচীৰে খেল' ইণ্ডিয়াৰ আজি সামৰণি অনুষ্ঠান।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ  বালিজানা চক্ৰ ভাণ্ডাৰা গাঁৱত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। ড° শৰ্মাই যাতায়াতৰ ব্যৱস্থা, অন্যান্য সা-সুবিধাকে ধৰি বিভিন্ন দিশৰ বুজ লৈ সকলো কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

**বাইট**

মুখ্যমন্ত্ৰীয়ে দ্বিতীয় এডভাণ্টেজ আচামত কৰা প্ৰতিশ্ৰুতি অনুসৰি বিলাসীপাৰাত তাপবিদ্যুৎ প্ৰকল্পৰ বাবে আৱণ্টিত ভূমিও পৰিদৰ্শন কৰে। এই প্ৰকল্পই ১০ হাজাৰো অধিক নিয়োগ সৃষ্টি তথা ৰাজ্যখনৰ শক্তি নিৰাপত্তাৰ দিশত উৎসাহ যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণৰ অংশ হিচাপে জিলাখনৰ ৰাক্ষসিনী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ভূমিত শক্তি উদ্যান স্থাপনৰ বাবে  ভূমি পৰিদৰ্শন কৰে। ৰাজ্যত বৰ্ধিত হাতী মানুহৰ সংঘাত সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত ড° শৰ্মাই গোৱালপাৰা জিলাৰ লগতে ৰাজ্যখনৰ বিভিন্ন ঠাইত সৌৰ বেৰাৰ ব্যৱস্থা কৰাৰ উপৰি হাতীৰ খাদ্যৰ বাবে উপযোগী গছপুলি ৰোপণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

বাইট

০০০০

মিজোৰামৰ কৃষি পদ্ধতি জনজাতিয় জীৱন শৈলীৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে আৰু ৰাজ্যখনৰ উন্নয়নত কৃষি খণ্ডই বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যখনত উদ্যান শস্য মহাবিদ্যালয়ৰ বিদ্যায়তনিক চৌহদ ভিডিঅ'

কনফাৰেন্সিং ব্যৱস্থাৰে মুকলি কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে তেতেলী, সুমথিৰা, কল, আম, মাটিকঁঠাল, বিলাহী, বেঙেনা আৰু লতাজাতীয় পাচলিকে ধৰি ভালেমান পাচলিৰ বাবে ৰাজ্যখনৰ জলবায়ু খুবেই অনুকূল। অৱশ্যে ৰাজ্যখনৰ কৃষি উৎপাদনৰ বাবে পৰ্যাপ্ত বৰষুণ হোৱা স্বত্বেও মুঠ কৃষিভূমিৰ ৪ দশমিক ৫ শতাংশহে কৃষিৰ বাবে ব্যৱহাৰ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। তদুপৰি তৈল খেজুৰৰ উৎপাদন ৰাজ্যখনৰ কৃষি খণ্ডৰ বাবে উদ্ভাৱনীমূলক পদক্ষেপ হিচাপে বিবেচিত হৈছে। ২০২১-২২ বৰ্ষত ৰাজ্যখনৰ কৃষি আৰু সহযোগী খণ্ডসমূহে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদনৰ গৰিষ্ঠ অংশ অধিকাৰ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাজ্যখনৰ জলবায়ু কৃষিৰ বাবে অত্যন্ত অনুকূল বুলি উল্লেখ কৰি মিজোৰামত সুগন্ধিযুক্ত আৰু ঔষধী উদ্ভিদ যেনে, তুলসী, অশ্বগন্ধা আদি উৎপাদনৰ ক্ষেত্ৰত বিশেষ সম্ভাৱনা আছে বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে বাঁহ খেতিৰ ওপৰত নিৰ্ভৰ কৰি কৃষি উৎপাদন ব্যৱস্থাটো অধিক শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তদুপৰি প্ৰাকৃতিক সম্পদৰ উচিত আৰু বহনক্ষম ব্যৱহাৰেৰে হস্তশিল্প, জৈৱ ইন্ধনকে ধৰি বিভিন্ন সম্পদ সৃষ্টিৰ ওপৰতো তেওঁ মন্তব্য কৰে। পুষ্প উৎপাদন, মৌ পালন আৰু মৌ উৎপাদনে ৰাজ্যখনৰ অৰ্থনীতিলৈ বিশেষ বৰঙণি যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুঅ'মায়ো এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকী কালি বিয়লি নগাঁও জিলাৰ কাঞ্চনজুৰিত উপস্থিত হয়। কৃষিমন্ত্ৰী অতুল বৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক পৰিয়ালসহ আদৰণি জনায়। এই ভ্ৰমণে অসমৰ কৃষি আৰু উদ্যানশস্য খণ্ডলৈ নতুন সম্ভাৱনা কঢ়িয়াই অনাৰ লগতে কৃষকসকলৰ বাবে বিকাশ আৰু সহযোগিতাৰ নতুন পথ প্ৰশস্ত কৰিব বুলি মন্ত্ৰী বৰাই আশা প্ৰকাশ কৰে। এই ভ্ৰমণকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কৃষি, উদ্যান শস্য, পশুপালন আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প পৰ্যালোচনা কৰাৰ লগতে ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ভালেসংখ্যক কৃষক তথা হিতাধিকাৰীৰ সৈতেও মত-বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে ২৯ মে'ত দেশজুৰি আৰম্ভ হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযানত ৰাজ্যসমূহৰ সহযোগিতা সম্পৰ্কেও আলোচনা কৰিব। কাইলৈ মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ কথা। পৰহিলৈ শ্ৰীচৌহানে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ভাৰত আৰু পাকিস্তানৰ মাজত কোনো তৃতীয় পক্ষই মধ্যস্থতা কৰাৰ বিষয়টো অস্বীকাৰ কৰি কয় যে ইছলামাবাদৰ সৈতে যিকোনো ধৰণৰ আলোচনা সম্পূৰ্ণৰূপে দ্বিপাক্ষিক হ'ব। নতুন দিল্লীত আজি সাংবাদিকৰ আগত ড° জয়শংকৰে কয়, যে পাকিস্তানৰ সৈতে কেৱল পাক অধিকৃত কাশ্মীৰ সন্দৰ্ভতহে আলোচনা কৰা হ'ব বুলি ভাৰতে ইতিমধ্যে স্পষ্ট কৰি দিছে। ড° জয়শংকৰে কয়, বহু বছৰ ধৰি এই বিষয়টো ৰাষ্ট্ৰীয় সহমতৰ বিষয় হৈ আহিছে আৰু এই ক্ষেত্ৰত ভাৰতৰ স্থিতিৰ কোনো সাল সলনি নহয়। পাকিস্তানৰ সৈতে কেৱল সন্ত্ৰাসবাদ সন্দৰ্ভতহে আলোচনা হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্পষ্ট কৰি দিয়াৰ কথা উল্লেখ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতক সমৰ্পন কৰিবলগীয়া সন্ত্ৰাসবাদীৰ এখন তালিকা পাকিস্তানক দিয়া হৈছে। তেওঁ লগতে পাকিস্তানে সন্ত্ৰাসবাদী আন্তঃগাথনি ধ্বংস কৰিবই লাগিব বুলি মন্তব্য কৰে।

০০০

বিজেপিৰ ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি আছে। ধেমাজি জিলাত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই যাত্ৰাৰ নেতৃত্ব দিয়ে। চিলাপথাৰত প্ৰাক্তন সেনা জোৱানৰ লগত ত্ৰিৰংগ পতাকা হাতত লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে  সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগুৰ সৈতে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

শিলচৰতো ১১ দিনীয়া ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী পালন কৰা হৈছে। প্ৰবল বৰষুণৰ মাজতো ছাত্ৰ-ছাত্ৰী, ক্ৰীড়া সংগঠন, সাংস্কৃতিক গোষ্ঠী আৰু নাগৰিক সমাজৰ উপস্থিতিত সেনা বাহিনীৰ বীৰত্বপূৰ্ণ প্ৰত্যুত্তৰক সন্মান জনাই ৰাষ্ট্ৰীয় পতাকা হাতত লৈ পদযাত্ৰা কৰা হয়। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

যোৰহাটতো জিলা বিজেপিৰ সভাপতি শান্তনু পূজাৰীৰ নেতৃত্বত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়।

০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে এলানি বিশেষ শৃংখলা প্ৰচাৰৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও সৈনিকসকলৰ সন্মানাৰ্থে আজিৰে পৰা বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিবলৈ লৈছে। আজিৰ বুলেটিনত আমি ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত অংশগ্ৰহণ কৰা শিৱসাগৰ জিলাৰ অৱসৰপ্ৰাপ্ত কেপ্তেইন মুহিকান্ত দাসৰ বীৰ গাঁথা লৈ আহিছো। জম্মু-কাশ্মীৰত নিয়োজিত দাস আৰু তেওঁৰ সহযোদ্ধাসকলে  কিদৰে পাকিস্তানী বাহিনীৰ বিৰুদ্ধে যুদ্ধ কৰিছিল সেই কথাৰ লগতে অপাৰেচন সিন্দূৰ সন্দৰ্ভত কেপ্তেইন মুহিকান্ত দাসে আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীৰ আগত এইদৰে কয় –

বাইট

আকাশবাণী গুৱাহাটী কেন্দ্ৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত আৰু ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰিব।

০০০

পাকিস্তানত আশ্ৰয় গ্ৰহণ কৰা সন্ত্ৰাসবাদীক কঠোৰ হাতেৰে দমন কৰাৰ ক্ষেত্ৰত বিশেষ সফলতা প্ৰদৰ্শন কৰা সামৰিক বাহিনীৰ বীৰ জোৱানসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শন কৰি পৰিবহন বিভাগে আজিৰে পৰা বিশেষ সেৱা কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অধীনত স্থলসেনা, নৌসেনা, আৰু বায়ু সেনাত কৰ্মৰত তথা প্ৰাক্তন বিষয়া, কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক বাহন চালনাৰ অনুজ্ঞাপত্ৰকে ধৰি পৰিবহন সংক্ৰান্তীয় নথিপত্ৰ ঘৰতে প্ৰদান কৰা হ'ব বুলি পৰিবহন বিভাগে জানিবলৈ দিছে।

এই কাৰ্যসূচীৰ অধীনত আজি কামৰূপ মহানগৰ জিলা পৰিবহন বিভাগৰ উদ্যোগত বিশেষ কৰ্তব্যৰত পৰিবহন বিষয়া গৌতম দাসৰ তত্বাৱধানত পাঞ্জাবাৰীত এগৰাকী অৱসৰপ্ৰাপ্ত সেনা বিষয়াক সপত্নীক যান-বাহনৰ যাৱতীয় নথি পত্ৰ প্ৰদান কৰা হয়।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ আজি ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৫৭ চনৰ আজিৰ তাৰিখতে বিভাগটোৱে কামকাজ আৰম্ভ কৰিছিল। প্ৰায় সাত দশকজুৰি আঞ্চলিক বাতৰি বিভাগে শ্ৰোতাক নিৰ্ভুল

আৰু নিৰ্ভৰযোগ্য তথ্য আৰু সংবাদ প্ৰদানৰ কামত ব্ৰতী হৈ আছে। দেশৰ শেহতীয়া সংকটকালীন পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ বাতৰি বিভাগ আজি কোনো ধৰণৰ আনুষ্ঠানিক আয়োজনৰ পৰা বিৰত আছে। ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে এইদৰে কয়-

*(বাইট ঃ ৰাজীৱ লোচন বৰঠাকুৰ)*

০০০

মণিপুৰৰ ভাৰত-ম্যানমাৰ সীমান্তৱৰ্তী চান্দেল জিলাৰ খেনজয় মহকুমাৰ নিউ চোমতাল গাঁৱত অসম ৰাইফলছৰ জোৱানৰ সৈতে হোৱা সংঘৰ্ষত কমেও ১০ জন সন্দেহযুক্ত উগ্ৰপন্থী গোটৰ সদস্য নিহত হয়। সেনাৰ ইষ্টাৰ্ণ কমাণ্ডে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা অনুসৰি চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত জোৱানসকলে এই অঞ্চলটোত অভিযান চলোৱাৰ সময়তে সন্দেহযুক্ত গোটটোৰ সদস্যসকলে সেনা-জোৱানসকলক উদ্দেশ্যি গুলীচালনা কৰে। প্ৰত্যুত্তৰত সেনাৰ গুলীচালনাত ১০ জন সদস্যৰ মৃত্যু হয়। অঞ্চলটোৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ উদ্ধাৰ কৰা হয়। অসম ৰাইফলছৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অভিযানৰ ইতিমধ্যে অন্ত পৰিছে আৰু মৃতদেহ কেইটা চিনাক্তকৰণৰ বাবে ৰখা হৈছে। অভিযানত নিৰাপত্তা বাহিনীৰ কোনো জোৱান হতাহত হোৱা নাই বুলি সূত্ৰটোত প্ৰকাশ পাইছে।

০০০

চৰকাৰী শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ বিনামুলীয়া নামভৰ্তিৰ ক্ষেত্ৰত এতিয়াৰে পৰা পিতৃ-মাতৃৰ আয়ৰ প্ৰমাণ পত্ৰ বৈধ নথি হিচাপে গ্ৰহণ কৰা নহ'ব বুলি অসম চৰকাৰ উচ্চ শিক্ষা বিভাগে জানিবলৈ দিছে। এই সন্দৰ্ভত জাৰি কৰা শেহতীয়া নিৰ্দেশনা অনুযায়ী বিনামুলীয়া নামভৰ্তিৰ যোগ্যতা বিবেচনা কৰাৰ ক্ষেত্ৰত একমাত্ৰ ৰেচন কাৰ্ডহে নথি হিচাপে গণ্য কৰা হ'ব। শিক্ষাৰ্থীগৰাকীৰ ৰেচন কাৰ্ড নাথাকিলে পিতৃ-মাতৃৰ ৰেচন কাৰ্ড বিনামুলীয়া নামভৰ্তিৰ বাবে প্ৰযোজ্য হ'ব।

০০০

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদৰ দ্বাৰা আয়োজিত ৰবীন্দ্ৰ নৃত্য আৰু ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। ৰাজ্যৰ ২০ টা কেন্দ্ৰৰ পৰা নিৰ্বাচিত হোৱা ৩৬০ গৰাকী অংশগ্ৰহণকাৰীৰ ভিতৰত ৰাজ্যিক পৰ্যায়ৰ চূড়ান্ত প্ৰতিযোগিতাত ২১ গৰাকী অংশগ্ৰহণকাৰীক বিজয়ী ঘোষণা কৰা হয়। প্ৰতিযোগিতাত মুঠ ছহেজাৰ ২৫৩ গৰাকী প্ৰতিযোগীয়ে ভাগ লৈছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজয়ীসকলক অভিনন্দন জনোৱাৰ লগতে অংশগ্ৰহণকাৰীসকলকো শুভেচ্ছা জনায়।

০০০

কামৰূপ জিলাৰ অন্তৰ্গত জিলা পৰিষদৰ নৱ নিৰ্বাচিত সদস্যসকলক আজি আমিনগাওঁৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত এখন সভাত আনুষ্ঠানিকভাৱে প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই বিজয়ী প্ৰাৰ্থীসকলক এই প্ৰমাণপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত আৰু জিলা নিৰ্বাচনী বিষয়া উপস্থিত থাকে।

০০০০

শোণিতপুৰ জিলাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰি বৰচলাত চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচী চলিত বৰ্ষত আৰম্ভ হৈছে। প্ৰথম বৰ্ষত মহাবিদ্যালয়খনে অসমীয়া, ইংৰাজী, মনোবিজ্ঞান, ভূগোল আৰু গণসংযোগৰ পাঠ্যক্ৰম আগবঢ়াব। উল্লেখযোগ্য যে চলিত বৰ্ষৰ পৰা ৰাজ্যত ৭ খন চৰকাৰী মহাবিদ্যালয়ত গণসংযোগৰ স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

০০০

অসম সাহিত্য সভাৰ ২০২৫ -২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা সেঁতুবন্ধ কাৰ্যসূচী কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত পৰহিৰ পৰা তিনি দিনীয়াকৈ আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰিবলৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সেঁতুবন্ধ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত আৰু অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ সমিতিৰ সৌজন্যত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত চতুৰ্থ সেঁতুবন্ধ যাত্ৰা আৰম্ভ কৰা হ'ব। এই অনুষ্ঠানত বৰাক উপত্যকাৰ ভাষা সাহিত্য, কৃষ্টি সংস্কৃতিৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত অধ্যয়ন কৰাৰ লগতে বিশিষ্ট নাগৰিক, কবি, সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক কৰ্মী, বুদ্ধিজীৱী আদিৰ সতেও মত বিনিময় কৰা হ'ব। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কসকলে অংশ ল'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শিলচৰৰ অসম বিশ্ববিদ্যালয় চৌহদত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ বাবে সভাৰ প্ৰধান সম্পাদকৰ নেতৃত্বত এটা দলে ১৯ মে'ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যক সাক্ষাৎ কৰি এই সন্দৰ্ভত আলোচনাত মিলিত হ'ব। বিষয়টো সন্দৰ্ভত সভাই উপাচাৰ্যগৰাকীক এখন পত্ৰ প্ৰদান কৰিব। তদুপৰি বিশ্ববিদ্যালয়খনৰ এটি প্ৰেক্ষাগৃহ ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা আৰু বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ পালনৰ কাৰ্যসূচীৰ আয়োজন কৰাৰ বাবে সাহিত্য সভাৰ দলটোৱে উপাচাৰ্যগৰাকীক আহ্বান জনাব।

০০০

বিহাৰৰ পাটনাৰ কংকৰবাঘৰ পাতলিপুত্ৰ ক্ৰীড়া প্ৰাংগণত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত মহাৰাষ্ট্ৰই মুঠ ১৫৮ টা পদকেৰে সামগ্ৰিকভাৱে শীৰ্ষস্থান দখল কৰিছে। হাৰিয়ানাই মুঠ ১১৭ টা পদকেৰে দ্বিতীয় আৰু ৰাজস্থানে ৬০ টা পদকেৰে তৃতীয় স্থান দখল কৰিছে। ০০০

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ